**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
-----------------------

১। ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ২৯ খন জিলাৰ প্ৰায় ২৪ লাখ লোক এতিয়াও বানৰ কবলত।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কামৰূপ জিলাৰ পলাশবাৰীত বান পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে মত বিনিময়।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত যোৱা ১ জুলাইৰ পৰা অনুষ্ঠিত হোৱা বন মহোৎসৱৰ আজি সামৰণি।

*আৰু*

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ আজি দ্বিতীয়খন খেলত জিম্বাব'ৱেক জয়ৰ বাবে ভাৰতৰ ২৩৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

oooooo

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ২৯ খন জিলাৰ প্ৰায় ২৪ লাখ লোক এতিয়াও বানৰ কবলত আছে। আনহাতে, বিগত ২৪ ঘণ্টাত আৰু ৬ জন লোকে প্ৰাণ হেৰুৱাৰ ফলত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ১০৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৫০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি নষ্ট হৈছে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে বিগত ২৪ ঘণ্টাত বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি নিমাতিঘাট, তেজপুৰ, ধুবুৰী আৰু ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। শেহতীয়া বানে বিগত ২৪ ঘণ্টাত ১৭৬টা পথ আৰু দুখন দলঙৰ লগতে আন বহুতো আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত কৰিছে। এই বানত ১৫ লাখৰো অধিক জীৱ-জন্তু ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন প্ৰান্তত ২৯৩ টা সাহায্য শিবিৰ আৰু ২৮৪টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। ইপিনে বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনত অহা ২৪ ঘণ্টাত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

ভইচ কাষ্ট

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ পলাশবাৰীত বান পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে মত বিনিময় কৰে। তেওঁ কেইবাটাও সাহায্য শিবিৰত উপস্থিত হৈ শিবিৰত থকা

লোকসকলৰ অভাৱ অভিযোগৰ বুজ লয়। তেওঁ বাসগৃহৰ ক্ষতি হোৱা লোকসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নতুন গৃহ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাই আজি দৰং জিলা ভ্ৰমণ কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ সামগ্ৰিক বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ ১ নম্বৰ গেৰীমাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে সাংসদ দিলিপ শইকীয়া, জিলাখনৰ বিধায়কসকল আৰু বিভিন্ন বিভাগৰ মুৰববীৰ পৰা জিলাখনৰ বান পৰিস্থিতিৰ বুজ লৈ বিভাগসমূহে অব্যাহত ৰখা কাম-কাজ পৰ্যালোচনা কৰে। তদুপৰি দৰং জিলাৰ বান প্ৰতিৰোধী ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে জিলাখনত মুঠ ২৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণৰ প্ৰস্তাৱ আজি বৈঠকত গ্ৰহণ কৰা হয়। এই অনুসৰি ডিমলা নৈৰ দুয়োপাৰে ১০ কিলোমিটাৰকৈ ঘাগ্ৰা নৈক সংযোগ কৰি মুঠ ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ আৰু চেৰেঙৰ পৰা ৰঙামাটি-কুৰুৱা পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ পাৰত ৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব। এই মথাউৰিয়ে অসম দক্ষতা বিশ্ববিদ্যালয়ৰ চৌহদ আৰু প্ৰস্তাৱিত দৰং চিকিৎসা মহাবিদ্যালয়ৰ স্থান সুৰক্ষিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পানী কিছু হ্ৰাস পাইছে যদিও ভালেমান অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ মুঠ ২৩৩ টা বন শিবিৰ এলেকাৰ ৬৬ টা বন শিবিৰ এতিয়াও পানীৰ তলত আছে। উদ্যানখনত আবদ্ধ আৰু আঘাটপ্ৰাপ্ত বন্যপ্ৰাণীসমূহক উদ্ধাৰ আৰু চিকিৎসাৰ বাবে ব্যৱস্থা অব্যাহত ৰখা হৈছে। আনহাতে, বন্য জন্তু সুৰক্ষাৰ বাবে উদ্যানখনত অতিৰিক্ত ১০০ গৰাকী বনকৰ্মী নিয়োগ কৰা হৈছে। এই বনকৰ্মীসকলক ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিয়োগ কৰা হৈছে। কাজিৰঙাৰ পৰা কাৰ্বি পাহাৰলৈ যোৱা সময়ছোৱাত যাতে বন্য জীৱজন্তুৰ ক্ষতি নহয় তাৰ প্ৰতি বনকৰ্মীসকলে তীক্ষ্ণ দৃষ্টি ৰাখিছে। এই পৰ্যন্ত উদ্যানখনত গড়সহ ১১৪ টা বন্যপ্ৰাণীয়ে বানৰ ফলত প্ৰাণ হেৰুৱাইছে বুলি জানিব পৰা গৈছে।

ভইচ কাষ্ট

০০০০০০

গুৱাহাটী মহানগৰীৰ পশ্চিম জ্যোতিনগৰৰ কালিমন্দিৰৰ সমীপত বৃহস্পতিবাৰে হোৱা ধাৰাষাৰ বৰষুণৰ সময়ত নলাত পৰি সন্ধানহীন হোৱা ৮ বছৰীয়া শিশুটিৰ মৃতদেহ আজি ৰাজগড়ৰ এটা নলাত উদ্ধাৰ কৰা হয়। শিশুটিৰ সন্ধানত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু গুৱাহাটী পৌৰ নিগমৰ কৰ্মীয়ে ৩ দিন ধৰি অভিযান অব্যাহত ৰাখিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অবিনাশ সৰকাৰ নামৰ শিশুটিৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। তেঁও লগতে শিশুটিৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ উপৰি পিতৃ-মাতৃ আৰু পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে শিশুটিৰ উদ্ধাৰ অভিযানত জড়িত এন ডি আৰ এফ, এছ ডি আৰ এফ, আৰক্ষী আৰু জিলা প্ৰশাসনৰ কৰ্মীসকলক তেওঁলোকৰ নিৰলস প্ৰচেষ্টাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

পৃথিৱীখনক বহনক্ষম আৰু সুস্থ কৰি তোলাৰ মানেসেৰে দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত যোৱা ১ জুলাইৰ পৰা অনুষ্ঠিত হোৱা বন মহোৎসৱৰ আজি সামৰণি পৰিছে। বিশ্ব ঐতিহ্যক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানত বন মহোৎসৱৰ অন্তিম দিনৰ কাৰ্যসূচী অনুসৰি সজাগতা সৃষ্টিৰ লক্ষ্যৰে চাইকেল ৰেলী উলিওৱা হয়। কাৰ্যসূচীত অংশগ্ৰহণ কৰা প্ৰতিজন লোকক কৰ্তৃপক্ষৰ তৰফৰ পৰা গছপুলি প্ৰদান কৰা হয়।

তামুলপুৰ জিলাৰ বিভিন্ন স্থানত এই মহোৎসৱৰ সৈতে সংগতি ৰাখি প্ৰায় ৪ হাজাৰ জোপা গছপুলি ৰোপণৰ লগতে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

মৰিগাঁও জিলাৰ তেতেলীয়া পাহাৰত বিভিন্ন ফল-মূলৰ গছপুলি ৰোপণ কৰাৰ লগতে বীজ বম দলিওৱা হয়।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে কালি ওদালগুৰি জিলাতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। ওদালগুৰি চহৰৰ বিষ্ণুৰাভা কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইপিনে, জোনাইৰ মুৰ্কংচেলেক উন্নয়ন খণ্ডৰ অধীনৰ মুৰ্কংচেলেক কৃষ্টিভৱন প্ৰেক্ষাগৃহতো কালি সম্পূৰ্ণতা অভিযান কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত অংকুৰ ভঁৰালী, নিটি আয়োগৰ জ্যেষ্ঠ পৰামৰ্শদাতা ড° ববিতা সিং, ধেমাজি আৰু চিলাপথাৰ পৌৰসভাৰ সভানেত্ৰী তথা জিলা প্ৰশাসন আৰু ব্লক পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

বাক্সা জিলাৰ সম্পূৰ্ণতা অভিযান সন্দৰ্ভত আয়ুক্ত কৃষ্ণা বৰুৱাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ চলন্তিকা অনুষ্ঠানত শুনিবলৈ পাব।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰাক বাজেট আলোচনা সম্পূৰ্ণ কৰিছে। বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে বিত্তমন্ত্ৰীগৰাকীয়ে উদ্যোগ আৰু সামাজিক খণ্ডৰ প্ৰতিনিধিকে ধৰি বিভিন্ন অংশীদাৰৰ সৈতে আলোচনা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। যোৱা ১৯ জুনৰ পৰা ৫ জুলাইলৈকে বিত্ত মন্ত্ৰালয়ত এই সন্দৰ্ভত বৈঠকৰ আয়োজন কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে আজি প্ৰকাশ কৰা এটা বিবৃতিত কয় যে, ২০২৪-২৫ বৰ্ষৰ প্ৰাক বাজেট পৰামৰ্শ বাজেটত ১০ টা বিভিন্ন ক্ষেত্ৰৰ অংশীদাৰ গোটৰ কমেও ১২০ গৰাকী আমন্ত্ৰিত ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত কৃষক সংঘ আৰু কৃষি অৰ্থনীতিবিদ, বাণিজ্য সংঘ, স্বাস্থ্য আৰু শিক্ষা খণ্ড, নিয়োগ আৰু দক্ষতা, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, বাণিজ্য আৰু সেৱা, অৰ্থনীতিবিদ, বিত্তীয় খণ্ড, মূলধনী বজাৰৰ লগতে আন্তঃগাঠনি, শক্তি আৰু নগৰীয়া খণ্ডৰ বিশেষজ্ঞ তথা প্ৰতিনিধিয়ে অংশ লৈছিল।

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ আজি দ্বিতীয়খন খেলত ভাৰতে জিম্বাব'ৱেক জয়ৰ বাবে ২৩৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। হাৰাৰেত চলি থকা খেলখনত ভাৰতে টছত জয়ী

হৈ প্ৰথমে বেটিঙৰ সিদ্ধান্ত গ্ৰহণ কৰে। ভাৰতে দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত ২০ অভাৰত ২৩৪ ৰাণ সংগ্ৰহ কৰে। অভিষেক শৰ্মাই ৪৭টা বলত ১০০ ৰাণ কৰাৰ বিপৰীতে ঋতুৰাজ গাইকোৱাডে ৪৭টা বলত ৭৭ ৰাণ আৰু ৰিংকু সিঙে ২২টা বলত ৪৮ ৰাণ কৰি অপৰাজিত হৈ ৰয়। ইপিনে বাতৰি লিখা পৰলৈকে জিম্বাব'ৱেই ৩ অভাৰত দুটা উইকেট হেৰুৱাই ৪০ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০০০

অসমত বছৰৰ দ্বিতীয়টো বানত বিস্তৰ ক্ষয়-ক্ষতি, নীতি আয়োগৰ সম্পূৰ্ণতা অভিযানৰ কাৰ্যসূচী কেবাখনো জিলাত অব্যাহত, তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ আনুষ্ঠানিক স্বীকৃতি প্ৰদানকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

অসমত বছৰৰ দ্বিতীয়টো বানত ২৯ খন জিলাৰ ২৪ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। গৃহমন্ত্ৰীগৰাকীয়ে অসমৰ বাবে এই প্ৰত্যাহ্বানপূৰ্ণ সময়ত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফে যুদ্ধকালীন তৎপৰতাৰে বানত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ আৰু তেওঁলোকক সাহায্য প্ৰদানৰ বাবে কাম কৰি থকাৰ কথাও শ্ৰীশ্বাহে উল্লেখ কৰে।

০০০০

অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত তথা সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত বৃহস্পতিবাৰৰ পৰা **সম্পূৰ্ণতা অভিযান** ৰূপায়ণ কৰা হৈছে। বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি আৰু হাইলাকান্দিকে ধৰি মুঠ ৭খন জিলা তথা ২০টা উন্নয়ন খণ্ড এলেকাক এই অভিযানে সামৰি লৈছে।

উল্লেখযোগ্য যে বৰ্তমানলৈ উন্নয়নৰ সুফল নোপোৱা দেশৰ ভিন্ন প্ৰান্তৰ অঞ্চলক সামৰি কেন্দ্ৰীয় চৰকাৰে এনে অঞ্চলসমূহৰ দ্ৰুত উন্নয়নৰ লক্ষ্যৰে **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰিছে। নীতি আয়োগে আৰম্ভ কৰা এই অভিযান ৩০ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই অভিযানৰ জৰিয়তে অভিলাষী জিলা কাৰ্যসূচী আৰু অভিলাষী খণ্ড কাৰ্যসূচীৰ অধীনত ১১২ খন অভিলাষী জিলা আৰু ৫০০ টা অভিলাষী খণ্ডৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰি প্ৰতিবছৰে স্নাতক পাঠ্যক্ৰমত ১০০ খন আসনত নামভৰ্তিত কালি অনুমোদন জনাইছে। ইয়াৰ ফলত ৰাজ্যখনত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৩ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি ৰাজ্যৰ চিকিৎসা ব্যৱস্থাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেঁও লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনিক সংস্কাৰ আৰু জন অভিযোগ বিভাগত ২০২৪ বৰ্ষৰ ই-গভৰ্নেন্সৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে শিক্ষা সেতু অসমক বাছনি কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শিক্ষাসেঁতুৰে এই স্বীকৃতিৰ বাবে সকলোকে অভিনন্দন জনাইছে। এই স্বীকৃতিয়ে প্ৰযুক্তিৰ জৰিয়তে শিক্ষাখণ্ডলৈ পৰিৱৰ্তন অনাৰ লক্ষ্যক প্ৰেৰণা

যোগাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰিছে। উল্লেখযোগ্য যে অহা ৮ আৰু ৯ আগষ্টত মুম্বাইত অনুষ্ঠিত হ'বলগীয়া ই-গভৰ্নেন্সৰ ২৭ সংখ্যক ৰাষ্ট্ৰীয় সন্মিলনৰ সময়তে সমগ্ৰ শিক্ষা অসমক এই বঁটা প্ৰদান কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০

ভাৰতীয় সংবিধানখন কেইটামান অনুচ্ছেদৰ সমষ্টি নহয়, বৰং ইয়াৰ প্ৰমূল্য আৰু শব্দসমূহে চৰকাৰৰ বাবে অতিশয় মূল্য বহন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত ৰাজ্যসভাত হোৱা আলোচনাৰ উত্তৰত এইকথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে চৰকাৰখনক পথ নিৰ্দেশনা প্ৰদান কৰিব পৰাকৈ সংবিধানখনক এটা আলোকগৃহ বুলিও অভিহিত কৰে।

প্ৰধানমন্ত্ৰীয়ে অসমত আৰম্ভ হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বিষয়ে সদনত উল্লেখ কৰে। তেওঁ কয় যে ইয়াৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলত বৃহৎ সংখ্যক নিয়োগৰ সৃষ্টি হ'ব। এই অভিলাষী প্ৰকল্পৰ ৰূপায়ণৰ ফলত ৰাজ্য উন্নত প্ৰযুক্তিৰ দিশত উৎপাদন অনুকূল তন্ত্ৰ গঢ় লৈ উঠিব বুলিও প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে মণিপুৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে শান্তি আৰু সম্প্ৰীতি ৰক্ষাৰ বাবে চেষ্টা চলাই আছে বুলি উল্লেখ কৰি বৰ্তমান ৰাজ্যখনত পৰিস্থিতি সুচল হৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু গৃহ ৰাজ্য মন্ত্ৰীয়ে ৰাজ্যখন ভ্ৰমণ কৰি সকলো পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বিহিত ব্যৱস্থা লোৱা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত যোৱা ১ জুলাইত বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰ উদ্বোধন কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে কয় যে আকাশবাণী জনগণৰ কণ্ঠ হৈ আছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষম শাখাৰ মুৰব্বী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ আৰু গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আঁত ধৰে পি আই বি গুৱাহাটীৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নেমছুয়ে। ইয়াৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত হয়। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়।

এয়াই আছিল বিগত সপ্তাহত আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিসমূহত আলোকপাত।

০০০০০

সমাপ্ত